# ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনা
# (Preamble of Indian Constitution)

পৃথিৱীৰ প্ৰায়বিলাক দেশৰে লিখিত সংবিধানখনত এটা প্ৰস্তাৱনা থকা দেখা যায়। এই প্ৰস্তাৱনাত সংবিধানখনৰ আদৰ্শ, নীতি, উদ্দেশ্য আৰু বিষয়বস্তুৰ এটা আভাস পোৱা যায়।


এম. ভি. পাইলি (M. V. Pylee) য়ে উল্লেখ কৰিছে যে প্ৰস্তাৱনাটো সংবিধান প্ৰণেতাসকলে অতি আনন্দেৰে গ্ৰহণ কৰিছিল; কিয়নো, এই প্ৰস্তাৱনাই ইমান বছৰে সপোন দেখি অহা এক ৰাজনৈতিক ব্যৱস্থাৰ বাস্তৱত পৰিণত হোৱাৰ এক সুযোগ দিছিল।

**প্ৰস্তাৱনাৰ অৰ্থ (Meaning of Preamble):** প্ৰস্তাৱনা হৈছে এক প্ৰাথমিক বা পৰিচয়মূলক বক্তব্য। প্ৰস্তাৱনাই কোনো আইন বা লিখনিৰ এক পৰিচয়মূলক বক্তব্য আগবঢ়ায়। **চিৱনাথ চক্ৰৱৰ্তী** (Sibnath Chakravarty) ৰ মতে "এখন সংবিধানত প্ৰস্তাৱনাৰ অৱতাৰণা কৰাৰ মুখ্য কাৰণ হৈছে, যাতে ই সংবিধানৰ প্ৰকৃতি (Nature), পৰিসৰ (Scope) আৰু উদ্দেশ্য (Purpose) উল্লেখ কৰিব পাৰে"। সেয়েহে ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাক ভাৰতীয় জাতিসত্বাৰ লক্ষ্য, উদ্দেশ্যৰ এক স্পষ্ট প্ৰতিফলন বুলি ক'ব পাৰি। কিয়নো, সংবিধানৰ বিভিন্ন দফাসমূহ এই প্ৰস্তাৱনাই চমুকৈ অতি সুন্দৰভাবে উল্লেখ কৰিছে। এনেদৰে প্ৰস্তাৱনাক সংবিধানৰ "আত্মা", "দৰ্শন" আৰু "সংবিধান বুজাৰ চাবিকাঠি" হিচাবে আখ্যা দিব পাৰি। কিয়নো, এই প্ৰস্তাৱনাৰ যোগেদিয়েই সংবিধানৰ আদৰ্শ আৰু লক্ষ্যৰ অভিব্যক্তি ঘটে। ভাৰতীয় সংবিধানতো এটা প্ৰস্তাৱনা সন্নিবিষ্ট কৰা হৈছে। এই প্ৰস্তাৱনা অনুসৰি ভাৰতবৰ্ষক এখন সাৰ্বভৌম গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ বুলি ঘোষণা কৰা হৈছে।

ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনা ১৯৪৯ চনৰ ২৬ জানুৱাৰী তাৰিখে গ্ৰহণ কৰা হৈছিল যদিও ১৯৭৫ চনৰ ৪২তম সংবিধান সংশোধনীৰ যোগেদি মূল প্ৰস্তাৱনাৰ কিছু পৰিবৰ্তন সাধন কৰা হ'ল। অৱশ্যে প্ৰস্তাৱনাক সংবিধানৰ আৱশ্যকীয় অংশ বুলি ধৰা নহয়।

ভাৰতীয় সংবিধানত সন্নিবিষ্ট কৰা প্ৰস্তাৱনাটো এনেধৰণৰ—

*"আমি সকলো ভাৰতবাসীয়ে ভাৰতবৰ্ষক এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক গণৰাজ্য হিচাপে ভাৰতক গঢ়ি তুলিবলৈ দৃঢ়সংকল্প গ্ৰহণ কৰি সকলো নাগৰিককে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়, ভাৱ প্ৰকাশ, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ স্বাধীনতা, সমমৰ্যাদা, জাতীয় ঐক্য আৰু সংহতি নিশ্চিত কৰি ভাতৃত্বৰ ভাৱ বৃদ্ধি কৰিবলৈ আজি ১৯৪৯ চনৰ নবেম্বৰ মাহৰ ২৬ তাৰিখে আমাৰ সংবিধান সভাই গ্ৰহণ কৰা আৰু লিপিবদ্ধ কৰা এই সংবিধানখন আমাক নিজকে অৰ্পণ কৰিছোঁ।"*



**ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনা**

ভাৰতৰ সংবিধানখন পূৰ্বৰ ভাৰত চৰকাৰ আইনসমূহৰ দৰে বৃটিছ সংসদৰ উপহাৰ বুলি ক'ব নোৱাৰি। এই সংবিধানখন ভাৰতীয় জনসাধাৰণৰ প্ৰতিনিধিৰে গঠিত এখন সাৰ্বভৌম সংবিধান সভাই ৰচনা কৰা। ইয়াত কোনো বাহিৰা কতৃপক্ষৰ হাত নাই।

**প্ৰস্তাৱনাৰ মূল দিশসমূহৰ এক পৰ্য্যালোচনা (A Brief Analysis of the Preamble):** প্ৰস্তাৱনাটোক মূল দিশসমূহ প্ৰধানতঃ ৪ টা ভাগত ভাগ কৰিব পাৰি— (১) ক্ষমতাৰ উৎস (২) চৰকাৰৰ প্ৰকৃতি (৩) ৰাজনৈতিক ব্যৱস্থাৰ উদ্দেশ্য (৪) সংবিধানখন বাস্তৱত ৰূপায়িত হোৱাৰ দিন।

**(১) আমি সকলো ভাৰতীয় নাগৰিকঃ** প্ৰস্তাৱনাৰ আৰম্ভণিতে 'আমি সকলো ভাৰতীয় নাগৰিক' বোলা কথাখিনিয়ে ভাৰতীয় জনসাধাৰণৰ সাৰ্বভৌম ক্ষমতাৰ কথা বুজাইছে। ইয়াৰ পৰা এইটো স্পষ্ট যে ভাৰতবৰ্ষৰ চৰকাৰে জনসাধাৰণৰ পৰাহে ক্ষমতা লাভ কৰে। অৰ্থাৎ ভাৰতীয় জনসাধাৰণেই হ'ল চৰকাৰৰ ক্ষমতাৰ উৎস। চৰকাৰৰ কোনো কাম-কাজ বা নীতিত জনসাধাৰণ অসন্তুষ্ট হ'লে জনসাধাৰণে সেই চৰকাৰ ভাঙি দি তাৰ ঠাইত নতুন চৰকাৰ এখনক শাসনত অধিষ্ঠিত কৰিব পাৰে।

**(২) ভাৰতবৰ্ষ এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্ম-নিৰপেক্ষ, গণতান্ত্ৰিক গণৰাজ্যঃ** প্ৰস্তাৱনাত ভাৰতবৰ্ষক এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্ম-নিৰপেক্ষ, গণতান্ত্ৰিক গণৰাজ্য হিচাবে ঘোষণা কৰিছে। 'সাৰ্বভৌম' শব্দটোৰ দ্বাৰা ভাৰতবৰ্ষ যে কোনো বিদেশী ৰাষ্ট্ৰৰ অধীন নহয় তাকে বুজোৱা হৈছে। অৰ্থাৎ ভাৰতবৰ্ষ এখন স্বাধীন দেশ। ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা ভাৰতবৰ্ষ নিজৰ আভ্যন্তৰীণ আৰু বৈদেশিক নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত কোনো বহিঃ ৰাষ্ট্ৰৰ নিৰ্দেশ মানি চলিবলৈ বাধ্য নহয়। আভ্যন্তৰীণ বিষয়ত ভাৰতবৰ্ষই নিজৰ সীমাৰ ভিতৰত সকলো জনসাধাৰণ আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ ওপৰত কতৃত্ব প্ৰয়োগ কৰিব পাৰে। বৈদেশিক ক্ষেত্ৰত ভাৰতবৰ্ষই নিজৰ স্বাৰ্থক আগত ৰাখি নীতি নিৰ্ধাৰণ কৰিব পাৰে। ভাৰতবৰ্ষ এতিয়াও কমনৱেলথৰ সদস্য হৈ আছে যদিও সেই সদস্য পদে ভাৰতবৰ্ষৰ সাৰ্বভৌমত্বত আঘাত হনা নাই। ইচ্ছা কৰিলে ভাৰতবৰ্ষই এই অনুষ্ঠানৰ সদস্য পদ ত্যাগ কৰিবও পাৰে।

(৩) **ভাৰত এখন সমাজবাদী ৰাষ্ট্ৰঃ** ভাৰতৰ সংবিধানৰ ১৯৭৬ চনৰ ৪২ তম সংশোধনীৰ জৰিয়তে 'সমাজবাদী' শব্দটো প্ৰস্তাৱনাত যোগ দিয়া হৈছে। সমাজবাদী শব্দটোৱে ভাৰতবৰ্ষক এখন 'সমাজবাদী ৰাষ্ট্ৰ' হিচাবে আখ্যা দিছে। ইয়াৰ অৰ্থ এয়ে যে চৰকাৰে উৎপাদন আৰু বিতৰণৰ দায়িত্ব কেইজনমান ব্যক্তিৰ হাতত অৰ্পণ কৰাতকৈ চৰকাৰৰ উদ্যোগত ৰাজহুৱাভাৱে উৎপাদন আৰু বিতৰণৰ ব্যৱস্থা কৰা হৈছে। কিন্তু সেইবুলি এইটো নহয় যে ভাৰতৰ সমাজবাদী ব্যৱস্থাই সকলো ব্যক্তিগত খণ্ডৰ সম্পত্তিৰ অধিকাৰ খৰ্ব কৰি উৎপাদনৰ সকলো আহিলাকে জাতীয়কৰণ কৰাটো বুজাইছে। ভাৰতৰ প্ৰয়াত প্ৰধানমন্ত্ৰী **ইন্দিৰা গান্ধীয়ে** কৈছিল— "*আমি সদায়েই কৈ আহিছো যে আমাৰ নিজস্ব ধৰণৰ সমাজবাদ ব্যৱস্থা আছে। আমি যিবিলাক খণ্ড জাতীয়কৰণ কৰাটো আৱশ্যক বুলি ভাবো সেইবিলাকহে জাতীয়কৰণ কৰিম। কেৱল জাতীয়কৰণ কৰাটোৱেই আমাৰ সমাজবাদৰ নিয়ম নহয়।*" সেয়েহে ভাৰতীয় সংবিধানে ব্যক্তিগত সম্পত্তিৰ অধিকাৰ সম্পূৰ্ণৰূপে খৰ্ব কৰিবলৈ বিচৰা নাই। কিন্তু দুখীয়া শ্ৰেণীৰ উপকাৰৰ বাবে এইবিলাকৰ ওপৰত কিছু বাধা-নিষেধ আৰোপ কৰা হৈছে। গতিকে দেখা যায় যে সম্পূৰ্ণ জাতীয়কৰণৰ পৰিৱৰ্তে আমাৰ দেশে মিশ্ৰিত অৰ্থনৈতিক ব্যৱস্থাৰ ওপৰত গুৰুত্ব দিছে।

(৪) **ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰঃ** ৪২ তম সংবিধান সংশোধনীৰ যোগেদি প্ৰস্তাৱনাত যোগ দিয়া আন এটা শব্দ হৈছে 'ধৰ্ম নিৰপেক্ষতা'। ইয়াৰ যোগেদি ভাৰতক এখন 'ধৰ্ম-নিৰপেক্ষ ৰাষ্ট্ৰ' হিচাবে স্বীকৃতি দিয়া হৈছে। অৰ্থাৎ সকলো নাগৰিককে ধৰ্মীয় স্বাধীনতা প্ৰদান কৰা হৈছে। ইয়াত ৰাষ্ট্ৰীয় ধৰ্ম বুলি কোনো ধৰ্ম নাই। সকলো নাগৰিকে নিজৰ ইচ্ছামতে যিকোনো ধৰ্ম পালন কৰিব পাৰে, উপাসনা, পূজা-পাতল আদি কৰিব পাৰে, ধৰ্ম-চৰ্চা আৰু প্ৰচাৰো কৰিব পাৰে। ইয়াত কোনেও হস্তক্ষেপ কৰিব নোৱাৰে। এই ব্যৱস্থা অনুসৰি ধৰ্মৰ নামত কোনো নাগৰিকে কোনো ক্ষেত্ৰত বৈষম্যমূলক আচৰণ কৰিব নোৱাৰিব।

(৫) **গণতান্ত্ৰিক গণৰাজ্যঃ** প্ৰস্তাৱনাত ভাৰতবৰ্ষক এখন গণতান্ত্ৰিক গণৰাজ্য হিচাবে উল্লেখ কৰা হৈছে। এই ব্যৱস্থা অনুসৰি বংশানুগতভাৱে দেশৰ শাসনভাৰ চলোৱাৰ ব্যৱস্থা নাই। ইয়াৰ পৰিৱৰ্তে দেশৰ শাসন ব্যৱস্থা পৰিচালনা কৰাৰ বাবে জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধিৰে গঠিত এখন চৰকাৰৰ ব্যৱস্থা কৰা হৈছে। এজন ভাৰতীয় নাগৰিকৰ ভোটাধিকাৰ প্ৰাপ্তিৰ বয়সৰ সীমা ১৮ বছৰলৈ হ্ৰাস কৰা হৈছে আৰু ১৯৯০ চনৰ নৱম লোকসভা নিৰ্বাচনতে প্ৰথমবাৰৰ বাবে এই নতুন ব্যৱস্থা কাৰ্যকৰী কৰা হৈছে।

## প্ৰস্তাৱনাৰ আদৰ্শ
## (Ideals of Preamble)

প্ৰস্তাৱনাত উল্লেখ কৰা সমাজবাদী, ধৰ্ম-নিৰপেক্ষ, গণতান্ত্ৰিক এই আদৰ্শসমূহ বাস্তৱত ৰূপায়িত কৰিবলৈ ন্যায়, সমতা আৰু ভাতৃত্ববোধৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। প্ৰস্তাৱনাই ভাৰতৰ সকলো লোকক সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়, চিন্তা, প্ৰকাশ, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ স্বাধীনতা, সম-মৰ্যাদা আৰু সমান সুযোগ দিম বুলি প্ৰতিশ্ৰুতি দিছে। সেয়েহে প্ৰস্তাৱনাৰ মূল আদৰ্শ যেনে— ন্যায়, স্বাধীনতা, সমতা, আৰু ভাতৃত্ববোধৰ এক সঠিক ব্যাখ্যা হোৱাটো প্ৰয়োজন।

(ক) **ন্যায় (Justice):** প্ৰস্তাৱনাত ভাৰতীয় নাগৰিকসকলক সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়ৰ আশ্বাস দিয়া হৈছে। এই ব্যৱস্থাৰ যোগেদি জাতি, ধৰ্ম, বৰ্ণ বা জন্মৰ ভিত্তিত মানুহৰ মাজত বৈষম্য সৃষ্টি কৰাৰ ব্যৱস্থা ৰখা হোৱা নাই। ভাৰতৰ সকলো নাগৰিককে সমান অধিকাৰ প্ৰদান কৰাৰ ব্যৱস্থা কৰা হৈছে। ব্যক্তি বিশেষে পৃথক আইন বা আদালত তৈয়াৰ কৰা হোৱা নাই। সমাজৰ পৰা অস্পৃশ্যতা নীতি উঠাই দিয়া হৈছে আৰু

কোনো লোকে এই নীতি অমান্য কৰিলে আইনমতে শাস্তি বিহাৰ ব্যৱস্থা ৰখা হৈছে।

প্ৰস্তাৱনাত অৰ্থনৈতিক ন্যায় প্ৰতিষ্ঠা কৰাৰ বাবেও লক্ষ্য স্থিৰ কৰা হৈছে। ইয়াৰ উদ্দেশ্য হৈছে দেশত ধনী-দুখীয়াৰ ব্যৱধান হ্ৰাস কৰি সকলো লোককে অৰ্থনৈতিক ন্যায় প্ৰদানৰ বাবে ৰাষ্ট্ৰীয় সম্পদক উচিতভাৱে ব্যৱহাৰ কৰা। এই দিশত ইতিমধ্যে ভালেমান ব্যৱস্থা গ্ৰহণ কৰা হৈছে। চৰকাৰী খণ্ডত কিছুমান উদ্যোগ স্থাপন কৰি জনসাধাৰণৰ আৱশ্যকতাৰ প্ৰতি লক্ষ্য ৰাখি কিছুমান বস্তুৰ উৎপাদন কৰা হৈছে। ইয়াৰ উপৰি বেংক, উদ্যোগ আদি ৰাষ্ট্ৰীয়কৰণ কৰা, নগৰ আৰু গাঁও অঞ্চলৰ ভূমিৰ সৰ্বোচ্চ পৰিমাণ নিৰ্ধাৰণ কৰাকে ধৰি ৰাষ্ট্ৰীয় পৰ্যায়ত জনসাধাৰণৰ বিশেষকৈ দুখীয়া শ্ৰেণীৰ অৰ্থনৈতিক উন্নয়নৰ বাবে ভালেমান ব্যৱস্থা চৰকাৰে কাৰ্যকৰী কৰিছে। অৱশ্যে ভালেমান ব্যৱস্থা গ্ৰহণ কৰা হৈছে যদিও এতিয়াও বহুত কৰিবলৈ বাকী আছে। ভাৰতৰ মুঠ জনসাধাৰণৰ শতকৰা ৭০ ভাগতকৈ অধিক লোকে অৰ্থনৈতিক স্বাধীনতা লাভ কৰাৰ বিষয়ে ভাবিব পৰা হোৱা নাই।

সেই একেদৰে প্ৰস্তাৱনাত ৰাজনৈতিক ন্যায় প্ৰতিষ্ঠা কৰাৰ ওপৰতো প্ৰাধান্য দিয়া হৈছে। ইয়াৰ অৰ্থ হ'ল জাতি, ধৰ্ম, ভাষা, বৰ্ণ, লিঙ্গক লৈ ভাৰতীয় জনগণৰ মাজত কোনো ধৰণৰ বৈষম্য থাকিব নোৱাৰে। ১৮ বছৰ বয়সপ্ৰাপ্ত সকলো ভাৰতীয় নাগৰিকৰে ভোট দিয়াৰ আৰু চৰকাৰৰ কাম-কাজত অংশ গ্ৰহণ কৰাৰ অধিকাৰ থাকিব। নিৰ্দিষ্ট বয়সপ্ৰাপ্ত যিকোনো ভাৰতীয় নাগৰিকে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাও কৰিব পাৰিব।

**(খ) স্বাধীনতা (Liberty):** সংবিধানৰ প্ৰস্তাৱনাই ভাৰতীয় নাগৰিকক চিন্তা, প্ৰকাশ, বিশ্বাস আৰু উপাসনাৰ ক্ষেত্ৰত স্বাধীনতাৰ আশ্বাস দিয়া হৈছে। আধুনিক অৰ্থত এখন কল্যাণকামী ৰাষ্ট্ৰত স্বাধীনতাৰ অৰ্থ হৈছে এনে কিছুমান সা-সুবিধা প্ৰদান কৰা যাৰ ওপৰত ভিত্তি কৰি প্ৰত্যেকজন ব্যক্তিয়ে নিজস্ব ব্যক্তিত্ব সম্পূৰ্ণৰূপে আত্ম-প্ৰকাশ কৰাৰ সুবিধা পায়। ৰাষ্ট্ৰই সমাজৰ সামগ্ৰিক স্বাৰ্থত আঘাত নকৰাকৈ এনে কিছুমান অধিকাৰ নাগৰিকক প্ৰদান কৰিছে; যাৰ জৰিয়তে ব্যক্তিয়ে নিজকে বিকাশ কৰাৰ সুবিধা পায়।

**(গ) সমতা (Equality):** প্ৰস্তাৱনাত উল্লেখিত মহান আদৰ্শসমূহৰ ভিতৰত সমতা অন্যতম। সমতাৰ অৰ্থ হৈছে সমান মৰ্যাদা আৰু মানুহ হিচাপে প্ৰতিজন নাগৰিকক সমস্থান প্ৰদান কৰা। ভাৰতীয় সংবিধানে গোষ্ঠী, জাতি, ধৰ্ম, জন্মস্থান, ভাষা আদিৰ ভিত্তিত থকা ভেদাভেদ খণ্ডন কৰি সকলো মানুহৰ মাজত সমতা স্থাপন কৰিব বিচাৰিছে। তদুপৰি ভাৰতীয় সংবিধানে আইনৰ চকুত সকলোকে সমান কৰিও সমতা স্থাপনৰ ব্যৱস্থা কৰিছে। চৰকাৰী নিয়োগৰ ক্ষেত্ৰত পিছপৰা আৰু দুৰ্বলশ্ৰেণীৰ লোকৰ বাহিৰে সকলোকে সমানে সুবিধা দিয়াৰ ব্যৱস্থা কৰিছে। পিছপৰা আৰু দুৰ্বল শ্ৰেণীৰ লোকৰ বাবে কিছুমান আসন সংৰক্ষণৰ ব্যৱস্থা চৰকাৰে কৰিছে; যাতে তেওঁলোকে সমাজৰ অন্য বৰ্গৰ লগত সমানে আগবাঢ়ি যাব পাৰে।

**(ঘ) ভাতৃত্ববোধ (Fraternity):** প্ৰস্তাৱনাত ভাৰতীয় নাগৰিকসকলৰ মাজত ভাতৃত্ববোধ বৃদ্ধি কৰাৰ বাবেও ব্যৱস্থা ৰখা হৈছে। বিভিন্ন ক্ষেত্ৰত যাতে প্ৰতিজন নাগৰিকে সমান সা-সুবিধা পায় তাৰ প্ৰতি লক্ষ্য ৰখা হৈছে। দেশত বাস কৰা বিভিন্ন শ্ৰেণী লোকৰ উন্নতি সাধন কৰা বিশেষকৈ সংখ্যালঘুসকলৰ স্বাৰ্থ ৰক্ষা কৰা অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিক বিশেষ সুবিধা প্ৰদান কৰি তেওঁলোকৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক মানদণ্ড উন্নত কৰাৰ বাবে চৰকাৰৰ দায়িত্ব সোঁৱৰাই দিয়া হৈছে।

**(ঙ) সংহতি (Integrity):** প্ৰস্তাৱনাত ৰাষ্ট্ৰীয় একতা আৰু নতুনকৈ অন্তৰ্ভুক্ত কৰা সংহতি ৰক্ষাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হৈছে। এই 'সংহতি' শব্দটো ৪২তম সংবিধান সংশোধনীৰ জৰিয়তে অন্তৰ্ভুক্ত কৰা হৈছে। সংবিধান প্ৰণেতাসকলে সেই সময়ত থকা বিভেদগামী শক্তিবিলাকৰ পৰা যাতে ভাৰতৰ স্থিতি দুৰ্বল নহয় তাৰ

বাবে ব্যৱস্থা কৰিবলৈ ৰাষ্ট্ৰৰ সংহতি আৰু ঐক্যৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিছে। এই ব্যৱস্থাৰ যোগেদি ভাৰতৰ বিভিন্ন শ্ৰেণীৰ জনসাধাৰণৰ মাজত ঐক্য আৰু সংহতি প্ৰতিষ্ঠা কৰিবলৈ বিচৰা হৈছে। কাৰণ ঐক্য আৰু সংহতিৰ ওপৰতে দেশৰ স্বাধীনতা, সাৰ্বভৌমত্ব আৰু উন্নতি নিৰ্ভৰ কৰে।

পৰিশেষত, সংবিধানৰ প্ৰস্তাৱনাৰ জৰিয়তে নিম্নোক্ত দিশসমূহ প্ৰতিফলিত হয়—**প্ৰথমতে,** সংবিধান প্ৰণেতাসকলৰ ইচ্ছা আৰু উদ্দেশ্য এই প্ৰস্তাৱনাত প্ৰকাশ পাইছে। **দ্বিতীয়তে,** এই প্ৰস্তাৱনাই সংবিধানৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক লক্ষ্যসমূহ উপস্থাপন কৰিছে। **তৃতীয়তে,** প্ৰস্তাৱনাটো হ'ল সংবিধানখনৰ এক সংক্ষিপ্ত বিৱৰণ। বিভিন্ন দফা আৰু অনুচ্ছেদবিলাকে প্ৰস্তাৱনাৰ দিশবিলাক বিস্তৃতভাৱে ব্যাখ্যা কৰিছে বুলি কলেও অতিৰঞ্জিত কৰা নহয়। সেয়েহে প্ৰস্তাৱনাটোক সংবিধানখনৰ 'দৰ্শন' আৰু আত্মা বুলি কোৱা হয়।

**প্ৰস্তাৱনাৰ মূল আঁসোৱাহ সমূহ (Drawbacks of the Preamble):** সংবিধানৰ প্ৰস্তাৱনাটোক যদিও উচ্চ আসনত ৰখা হয়, তথাপিও প্ৰস্তাৱনাটোৰ কিছু আঁসোৱাহ নথকা নহয়। তলত দিয়া আঁসোৱাহ সমূহ এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি—

(১) "আমি ভাৰতীয় নাগৰিক" শীৰ্ষক উক্তিষাৰ সম্পূৰ্ণ ভুল (Misnomer)। কিয়নো, ভাৰতীয় জনসাধাৰণক প্ৰকৃতাৰ্থত সাংবিধানিক পৰিষদে প্ৰতিনিধিত্ব কৰা নাছিল। ৰাজ্যৰ সদস্যসকলক নিৰ্বাচিত কৰা হোৱা নাছিল, তেওঁলোকক মাথোঁ মনোনীতহে কৰা হৈছিল। অন্যান্য সদস্যসকলকো পৰোক্ষভাৱে নিৰ্বাচন কৰা হৈছিল।

(২) প্ৰস্তাৱনাত উল্লেখ থকা আদৰ্শবিলাক স্পষ্ট নহয়। নিৰ্দিষ্ট আদৰ্শৰ প্ৰতি কোনো আনুগত্য দেখুওৱা হোৱা নাই। শব্দৰ ব্যৱহাৰ ইমান শিথিল যে, ইয়াক যি কোনো প্ৰকাৰে আলোচনা কৰিব পাৰি। ৪২ তম সংবিধানৰ সংশোধনীৰ জৰিয়তে অন্তৰ্ভুক্ত কৰা "সমাজবাদ আৰু ধৰ্ম নিৰপেক্ষ" আজিও স্পষ্ট ৰূপত ব্যাখ্যা কৰা হোৱা নাই।

(৩) **পি বি গজেন্দ্ৰ গডকাৰ** (P. B. Gajendra Gadkar) মতে, "*সংবিধানৰ প্ৰস্তাৱনাটো ক্ষমতাৰ উৎস নহয় আৰু ই বাদযোগ্য নহয়। এই প্ৰস্তাৱনাটো সংবিধান প্ৰণেতাসকলৰ এক আদৰ্শগত সপোনহে মাথোন।*"

(৪) বহু ক্ষেত্ৰত প্ৰস্তাৱনাৰ আদৰ্শসমূহ কেৱল মাথো শ্ল'গান হৈ ৰ'ল। ভাৰতবৰ্ষত গণতন্ত্ৰ এক সফল ৰাজনৈতিক ব্যৱস্থা বুলি এতিয়াও ক'ব নোৱাৰি। জাতি, ধৰ্ম, ভাষা, গোষ্ঠী, অঞ্চলৰ নামত বিভক্ত ভাৰতীয় সমাজত গণতন্ত্ৰ, ধৰ্ম নিৰপেক্ষতা, সমাজবাদ আদি আদৰ্শসমূহ বৰ্তমানেও কৃতকাৰ্য্য হ'ব পৰা নাই।

(৫) বৰ্তমান সময়ত চৰকাৰৰ দ্বাৰা প্ৰচলিত উদাৰতাবাদী নীতিয়ে সমাজবাদী আৰু ৰাষ্ট্ৰৰ সাৰ্বভৌম নীতিক উলংঘা কৰিছে। নেহেৰুৰ দ্বাৰা প্ৰচলিত সমাজবাদী অৰ্থনীতিত আমূল পৰিৱৰ্তন অনা হৈছে। তদুপৰি বহুক্ষেত্ৰত অৰ্থনৈতিক উদাৰীকৰণ নীতিয়ে দেশৰ সাৰ্বভৌমত্বক ক্ষুণ্ণ কৰিছে বুলি দেশৰ এজন আগশাৰীৰ অৰ্থনীতিবিদ্ প্ৰভাত পাটনায়কে (Prabhat Patnaik) মত পোষণ কৰিছে।

**প্ৰস্তাৱনাৰ সাংবিধানিক গুৰুত্ব (Constitutional significance of the Preamble):** প্ৰস্তাৱনাটো সংবিধানৰ অংগ হয়নে নহয় সেই বিষয়ে মতানৈক্য নথকা নহয়। এই বিষয়টো আনকি উচ্চতম ন্যায়ালয়তো আলোচনা হৈছিল। এইটো অতি তাৎপৰ্যপূৰ্ণ যে ১৯৬০ চনৰ বেৰুবাৰী (Berubari) গোচৰত উচ্চতম ন্যায়ালয়ে প্ৰস্তাৱনা সংবিধানৰ অংশ নহয় বুলি ৰায় দিছিল যদিও ১৯৭৩ চনত কেশৱানন্দ ভাৰতী (Keshvanand Bharati) গোচৰত পূৰ্বৰ ৰায় সলনি কৰি প্ৰস্তাৱনাক সংবিধানৰ অংশ হিচাপে গ্ৰহণ কৰিছিল। উচ্চতম ন্যায়ালৰ পিছৰ

ৰায়টোত এই বুলিও উল্লেখ কৰা হৈছিল যে সংবিধানৰ মূল গাঁথনিৰ লগত জড়িত অংশৰ বাহিৰে বাকী অংশ সংশোধনৰ যোগ্য।

অৱশ্যে প্ৰস্তাৱনা সংবিধানৰ অংগ হওকেই বা নহওক, ইয়াৰ গুৰুত্ব কোনোভাৱেই কম বুলি ক'ব নোৱাৰি। প্ৰস্তাৱনাই বিভিন্ন সময়ত বিভিন্ন ধৰণে সহায় আগবঢ়াব পাৰে আৰু ইয়াতেই নিহিত হৈ আছে প্ৰস্তাৱনাৰ গুৰুত্ব বা তাৎপৰ্য। সংবিধানৰ প্ৰস্তাৱনাৰ গুৰুত্ব সম্পৰ্কে তলত আলোচনা কৰা হ'ল—

**প্ৰথমতে**, প্ৰস্তাৱনাই সাংবিধানিক ব্যৱস্থাৱলী স্পষ্ট ভাষাত প্ৰকাশ কৰাত সহায় কৰে। অৰ্থাৎ কোনো দফাৰ ভাষা স্পষ্ট নহ'লে বা কোনো দফাৰ সঠিক ব্যাখ্যা দাঙি ধৰাৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হ'লে প্ৰস্তাৱনাৰ আদৰ্শ আৰু লক্ষ্যৰ ওপৰত ভিত্তি কৰি ইয়াক স্পষ্ট কৰিব পৰা যায়।

**দ্বিতীয়তে**, দেশৰ সংবিধানখনে কি লক্ষ্যত উপনীত হোৱাটো বিচাৰিছে সেইটো প্ৰস্তাৱনাৰ পৰাই জানি ল'ব পাৰি। সেয়ে দেশৰ উন্নতিকল্পে চৰকাৰে আঁচনি তৈয়াৰ কৰা আৰু ৰূপায়ণ কৰাৰ সময়ত প্ৰস্তাৱনাৰ লক্ষ্য আৰু আদৰ্শকে ভেটি হিচাপে গ্ৰহণ কৰিব পাৰে।

**তৃতীয়তে**, প্ৰস্তাৱনাত দেশৰ জনসাধাৰণৰ আশা-আকাংখ্যাও সুস্পষ্টভাৱে ফুটি উঠে। গতিকে দেশৰ আইন আৰু নীতি প্ৰণয়নকে ধৰি বিভিন্ন ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰ সময়ত চৰকাৰে প্ৰস্তাৱনাটোৰ ওপৰত বিশেষ গুৰুত্ব দিবলৈ বাধ্য হয়।

**চতুৰ্থতে**, গণতান্ত্ৰিক ৰাষ্ট্ৰ ব্যৱস্থাত চৰকাৰৰ সালসলনি এক সাধাৰণ ঘটনা। সেয়ে যি চৰকাৰেই শাসনত অধিষ্ঠিত নহওঁক লাগে কোনেও প্ৰস্তাৱনাৰ আদৰ্শৱলী অৱজ্ঞা কৰিব নোৱাৰে। যি চৰকাৰে এই আদৰ্শাৱলীৰ প্ৰতি পিঠি দিব সেই চৰকাৰে তৎকালে জনসাধাৰণৰ সমৰ্থন হেৰুৱাব।

**পঞ্চমতে**, প্ৰস্তাৱনাই চৰকাৰৰ সফলতা আৰু বিফলতাসমূহ বিচাৰ কৰাত সহায় কৰে।

ওপৰৰ বিস্তৃত আলোচনাৰ পৰা এইটো প্ৰতীয়মান হয় যে কোনো চৰকাৰে প্ৰস্তাৱনাৰ আদৰ্শসমূহক নুই কৰিব নোৱাৰে। **এছ. কে. চৌবে** (S. K. Chaube)ৰ মতে, "প্ৰস্তাৱনাই ভাৰতীয় সংবিধানক এক সামাজিক, অৰ্থনৈতিক তথা ৰাজনৈতিক বিপ্লৱৰ দায়িত্ব অৰ্পণ কৰিছে"। **কে. এম. মুন্সি** (K. M. Munshi)এ প্ৰস্তাৱনাক দেশৰ 'Political horoscope' অৰ্থাৎ "ৰাজনৈতিক সৌঁৰণী" বুলি অভিহিত কৰিছে। আইনৰ ব্যাখ্যাৰ সময়ত ইয়াক "পৰিচালনা কৰা তৰা" (Guiding Star) হিচাবে আখ্যা দিয়া হৈছে। সাংবিধানিক বিশেষজ্ঞ **ডি. ডি. বসুৰ** মতে, প্ৰস্তাৱনাৰ উদ্দেশ্য হৈছে সংবিধানত অৰ্ন্তভুক্ত কৰা দিশসমূহ বুজাৰ আগেয়ে সেইবিলাক চমুকৈ ব্যাখ্যা কৰা। গোপালন বনাম মাদ্ৰাজ— এই গোচৰৰ ৰায়টোত উচ্চতম ন্যায়ালয়ে মত পোষণ কৰিছিল যে সংবিধানখন ব্যাখ্যা কৰাৰ ক্ষেত্ৰত প্ৰস্তাৱনাটো হ'ল— "পৰিচালনা কৰা তাৰকা" (Guiding Star)।

প্ৰস্তাৱনাৰ তাৎপৰ্য সৰ্বভুক্ত বিশেষজ্ঞসকলৰ মতামতঃ ...